প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## এমজিএনৰেগাৰ মজুৰি প্ৰদানত খেলি-মেলি

# সোণাই উন্নয়ন খণ্ডৰ গাণনিকক নিলম্বন

## আল্‌গাপুৰ উন্নয়ন খণ্ডৰ ভাৰপ্ৰাপ্ত গাণনিকক কাৰণ দৰ্শোৱাৰ জাননী

**গুৱাহাটী ১৩ জুনঃ** কাছাৰ জিলাৰ সোণাই উন্নয়ন খণ্ডৰ গাণনিক (Acoountant) চাহাবুদ্দিন লস্কৰক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। গাণনিকগৰাকীয়ে এমজিএনৰেগাৰ কেইবাখনো জব কাৰ্ডৰ অধীনত আদায় দিবলগীয়া মজুৰি একেটা বেংক একাউণ্টত প্ৰদান কৰি বিত্তীয় খেলি-মেলি কৰা বুলি প্ৰমাণিত হোৱাত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ নিৰ্দেশত আয়ুক্ত হেমেন দাসে গাণনিকগৰাকীৰ নিলম্বনৰ নিৰ্দেশ জাৰি কৰে।

আনহাতে হাইলাকান্দি জিলাৰ আল্‌গাপুৰ উন্নয়ন খণ্ডতো এনেধৰণে কেইবাখনো জব কাৰ্ডৰ অধীনৰ মজুৰি একেটা বেংক একাউণ্টতে প্ৰদান কৰা বুলি উঠা অভিযোগৰ বাবে উন্নয়ন খণ্ডটোৰ ভাৰপ্ৰাপ্ত গাণনিক সুধাংশু শেখৰ পালক ১৫ দিনৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে।

উল্লেখযোগ্য যে ৰাজ্যখনত গ্ৰামোন্নয়নৰ প্ৰতিখন আঁচনি যাতে ফলপ্ৰসূভাৱে ৰূপায়ণ হয় তাৰ প্ৰতি বিভাগীয় মন্ত্ৰী দলেয়ে সুক্ষ্ম দৃষ্টি ৰাখি আছে আৰু বিভিন্ন পৰ্যায়ত পৰ্যালোচনা সভা তথা ভিডিঅ' মেছেজ আদিৰ জৰিয়তেও বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ উপৰি কোনো ক্ষেত্ৰতে দুৰ্নীতি আৰু গাফিলতি সহ্য কৰা নহ'ব বুলি সকিয়াই আহিছে। আজি তেওঁৰ এই স্থিতিৰ কথা পুনৰ দোহাৰি মন্ত্ৰীগৰাকীয়ে গাঁৱৰ দুখীয়া জনসাধাৰণৰ উন্নয়নৰ বাবে স্বচ্ছতা বজাই ৰাখি নিষ্ঠা আৰু দায়বদ্ধতাৰে সেৱা আগবঢ়াবলৈ সংশ্লিষ্ট সকলোকে পুনৰ আহ্বান জনায়।

*এম আৰ ডি/১৩-০৬-২০২০*